Q.  মানৱ জীৱন বা অস্তিত্বৰ দ্বিতীয় স্তৰ কি?
Ans: নৈতিক স্তৰ

Q.  The Concept of Dread' গ্ৰন্থখনৰ গ্ৰন্থকাৰ কোন?
Ans: কীৰ্কেগাৰ্ড

Q. অস্তিত্ববাদৰ জনক কোন?
Ans: কীৰ্কেগাৰ্ড

Q. কীৰ্কেগাৰ্ড এজন আস্তিক নে?
Ans:  হয়

Q. কীৰ্কেগাৰ্ডে 'বিশ্বাসৰ জনক' বুলি কাক কৈছে?
Ans: ইব্ৰাহিমক

Q. কীৰ্কেগাৰ্ডৰ মতে, সত্য আত্মগত / বস্তুগত।
Ans: আত্মগত

Q. কীৰ্কেগাৰ্ডৰ মতে সত্য কি?
Ans: সত্য হ'ল ব্যক্তিনিষ্ঠতা । তেওঁৰ মতে, সত্য কোনো নিৰপেক্ষ বা বস্তুনিষ্ঠ তথ্য  নহয়, বৰঞ্চ ই এক ব্যক্তিগত অভিজ্ঞতা আৰু জীৱনধাৰণৰ ধৰণ।

Q. কীৰ্কেগাৰ্ডৰ যিকোনো দুখন গ্ৰন্থৰ নাম লিখা।
Ans: 1. Fear and Trembling
2. The Concept of Anxiety
3. Either/Or

Q. ক'ত আৰু কেতিয়া কীৰ্কেগাৰ্ডে জন্মগ্ৰহণ কৰিছিল?
Ans: ১৮১৩ চনৰ কোপেনহেগেন চহৰত জন্মগ্ৰহণ কৰিছিল।

Q. কীৰ্কেগাৰ্ডৰ সত্যৰ সংজ্ঞাটো লিখা।
Ans:কীৰ্কেগাৰ্ডৰ মতে, সত্য কেৱল কোনো বস্তুনিষ্ঠ তথ্য নহয়, বৰঞ্চ ই এক আত্মনিষ্ঠ অনুভূতি বা ব্যক্তিগত অভিজ্ঞতা ।
সত্য হ'ল এজন ব্যক্তিয়ে অত্যন্ত আবেগিক আৰু ব্যক্তিগত দায়বদ্ধতাৰে (passionate inwardness) বিশ্বাস কৰা এটা ধাৰণা, যিটো তেওঁৰ জীৱনৰ বাবে অৰ্থপূৰ্ণ।"

Q. কীৰ্কেগাৰ্ডক অনুসৰণ কৰি মানৱ জীৱনৰ নৈতিক স্তৰটো আলোচনা কৰা।
Ans: মানৱ জীৱন বা অস্তিত্বৰ দ্বিতীয় স্তৰ হ'ল নৈতিক। এই স্তৰত ব্যক্তিয়ে উপলব্ধি কৰে যে সাংবেদনিক স্তৰত যি সুখভোগৰ পিছে পিছে সি ফুৰিছিল সি ব্যৰ্থ প্ৰচেষ্টা, উপহাস মাত্ৰ। ব্যক্তিয়ে তেওঁৰ নৈৰাশ্য জীৱনৰ কাৰণ হিচাপে আৱিষ্কাৰ কৰে তেওঁৰ আত্মকেন্দ্ৰিকতা। কাৰণ ইমান দিনে ব্যক্তি যি সুখ কামনা কৰিছে কেৱল নিজৰ বাবেহে, নিজক বাদ দি আন ব্যক্তিৰ সুখৰ কথা তেওঁ চিন্তা কৰা নাই।

Q. মানৱ অস্তিত্বৰ পৰিৱৰ্তন সম্পৰ্কীয় ধৰ্মীয় স্তৰটো ব্যাখ্যা কৰা।
Ans:কীৰ্কেগাৰ্ড দৰ্শনত মানৱ অস্তিত্বৰ পৰিৱৰ্তনৰ তিনিটা স্তৰৰ ভিতৰত ধৰ্মীয় স্তৰটো (The Religious Stage) হ'ল সৰ্বোচ্চ আৰু চূড়ান্ত স্তৰ। এই স্তৰটোৱে নান্দনিক আৰু নৈতিক স্তৰ অতিক্ৰম কৰি ব্যক্তিৰ ঈশ্বৰৰ সৈতে এক ব্যক্তিগত আৰু প্ৰত্যক্ষ সম্পৰ্ক স্থাপন কৰাক বুজায়।